অসম

এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণৰ বাবে চৰকাৰক চাপ দিবলৈ আছুক কংগ্ৰেছৰ আহ্বান

এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ দাবীত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক চাপ দিবলৈ আছুক আহ্বান জনাইছে অসম প্ৰদেশ কংগ্ৰেছে।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:৫১



গুৱাহাটী, শুকুৰবাৰ: নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণ (SIR)ৰ দাবীৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, চমুকৈ এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ দাবীত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা, চমুকৈ আছুক আহ্বান জনাইছে অসম প্ৰদেশ কংগ্ৰেছে।

গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ তথা প্ৰাক্তন বিধায়ক বিনন্দ শইকীয়া, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা আৰু অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে এনআৰচিৰ চূড়ান্ত তালিকাৰ পৰা বাদ পৰা প্ৰায় ১৯ লাখ লোকৰ ভৱিষ্যৎক লৈ চৰকাৰক প্ৰশ্ন তোলে।

বিনন্দ শইকীয়াই কয় যে, ২০১৩ চনত আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা এনআৰচি উন্নীতকৰণ প্ৰক্ৰিয়াৰ চূড়ান্ত তালিকা ২০১৯ চনৰ ৩১ আগষ্টত প্ৰকাশ পাইছিল। ৩ কোটি ৩০ লাখৰো অধিক আবেদনকাৰীৰ ভিতৰত ৩ কোটি ১১ লাখ লোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হৈছিল যদিও প্ৰায় ১৯ লাখ লোক বাদ পৰিছিল।

বাদ পৰা লোকসকলক কিয় অনিশ্চয়তাত ৰখা হৈছে, তেওঁলোকৰ সন্দৰ্ভত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কি ব্যৱস্থা

গ্রহণ কৰিছে আৰু তালিকাত অন্তর্ভুক্ত ৩ কোটি ১১ লাখ লোকক নাগৰিকত্বৰ পৰিচয়পত্র দিয়া হৈছে নে নাই বুলি তেওঁ প্রশ্ন কৰে।

> “সাত বছৰ পাৰ হোৱাৰ পাছতো এই প্রশ্নসমূহৰ উত্তৰ দিয়া হোৱা নাই,” শইকীয়াই কয়।

শইকীয়াই অভিযোগ কৰে যে, নির্বাচন আহিলেই বিজেপিয়ে অনুপ্রৱেশকাৰী, বিদেশী, মিঞা আৰু বাংলাদেশীৰ বিষয় উত্থাপন কৰে, কিন্তু বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ প্রতিশ্রুতি ৰূপায়ণ নকৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/2824/enaci-achu-knggech